# অসম আদিত্য

মাঘ, ১৯৪৬ শক ■ সোমবাৰ, ২০ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, January 20, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## াঠশালা
## শুভাৰম্ভ

দেশৰ আগশাৰী প্ৰশিক্ষণ কেন্দ্ৰ
যটে। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত
নটোৰ বাণিজ্যিক প্ৰবন্ধক প্ৰশান্ত
যাজিত অনুষ্ঠানত ডিব্ৰুগড় শাখাৰ
ঞ্জন শইকীয়া, ছমিৰ ভূৱন, বিৰেন্দ্ৰ
ক ধৰি বিভিন্ন প্ৰতিযোগিতামূলক
ক্ষণ প্ৰদান কৰিব পৰা শৈক্ষিক
য়াকৈ ফিজিক্স-ৱালা পাঠশালা
আশাৰ সঞ্চাৰ কঢ়িয়াই আনিছে।

# কানৈত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ১৯ জানুৱাৰী ঃ** অসমৰ জনপ্ৰিয় কলা-সংস্কৃতি অনুষ্ঠান অসম জনকৃষ্টি সমাজ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত ২৪ আৰু ২৫ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। 'অ'ৰেলিটি আৰু ভাৰতীয় দৰ্শন' শীৰ্ষক বিষয়ৰ এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখন উদ্বোধন কৰিব তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী, বিদেশী ভাষা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ, লেখক ড০ মদন মোহন শৰ্মাই। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আলোচনা চক্ৰ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া আলোচনা-চক্ৰখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক, ভাষাবিদ, প্ৰফেচৰ এমেৰিটাছ ড০ ভীমকান্ত বৰুৱা। পশ্চিমবংগস্থিতকল্যাণী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগৰ অধ্যাপক সুজয় কুমাৰ মণ্ডলে মূল ভাষণ প্ৰদান কৰিবলগীয়া আলোচনা-চক্ৰখনিত অসম জনকৃষ্টি সমাজৰ 'জনকৃষ্টি' শীৰ্ষক গৱেষণা পত্ৰিকাখনি উন্মোচন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড০ কন্দৰ্প কুমাৰ ডেকাই। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰখনিত দেশ-বিদেশৰ বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ শতাধিক অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী আৰু অসমীয়া ভাষাত আলোচনা পত্ৰ পাঠ কৰিব। কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক আৰু ডীন তথা অসম জনকৃষ্টি সমাজৰ সভাপতি ড০ মৃনাল কুমাৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি গৱেষণা বিভাগৰ মুৰব্বী ড০ অনিল কুমাৰ বড়ো, এবিলাকৰ প্ৰাক্তন সঞ্চালক ড০ দীলিপ কুমাৰ কলিতা, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰাক্তন মুৰব্বী ড০ শৰৎ চন্দ্ৰ ৰাভা, এবিলাকৰ সহযোগী অধ্যাপক ড০ কৰুণা কান্ত কাকতি আদি উপস্থিত থাকিব।

ভট্টাচাৰ্যই ৰূপকোঁৱৰৰ সৃষ্টিৰা
সংৰক্ষণ কৰাৰ ওপৰত গুৰুত্ব
সংঘৰ মুখ্য উপদেষ্টা কুমকুম
প্ৰজ্বলনত সহযোগিতা আগব
সপোন দেখা ৰূপকোঁৱৰৰ জে
অৱগত কৰাৰ উপৰিও সমবে
কৰি অনুষ্ঠানটি মুখৰিত কৰি তে
লগতে সমূহ মহিলা সদস্যাই
শৰাই আৰু ধন্যবাদ জ্ঞাপন ক

